# প্ৰসন্নলাল চৌধুৰীৰ

# নীলাম্বৰ

**নাট্যকাৰৰ পৰিচিতি ঃ** 'নীলাম্বৰ' নাটকৰ নাট্যকাৰ তথা 'বিদ্ৰোহী কবি' প্ৰসন্নলাল চৌধুৰী কামৰূপ জিলাৰ পলাশবাৰীত ১৮৯৮ চনৰ ডিচেম্বৰ মাহত জন্ম হয়। তেওঁৰ পিতৃৰ নাম শ্যামলাল চৌধুৰী আৰু মাতৃৰ নাম প্ৰমীলা চৌধুৰী। তেওঁ ১৯৬৫ চনত বৰপেটা বিদ্যাপীঠৰ পৰা প্ৰধান শিক্ষকৰূপে অৱসৰগ্ৰহণ কৰে। তেওঁ এগৰাকী নাট্যকাৰ, দক্ষ অভিনেতা আৰু ভাল চিকাৰী আছিল। ১৯৭৮ চনত তেওঁ অসম সাহিত্য সভাৰ গোলাঘাট অধিৱেশনৰ সভাপতি হয়। ১৯৮৬ চনত তেওঁৰ মৃত্যু হয়। তেওঁ লিখা উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল ঃ নীলাম্বৰ (নাট), অগ্নিমন্ত্ৰ, চানেকী কবিতা, অপেশ্বৰী, জাতিৰ ফুল, চিকাৰ নিকাৰ ইত্যাদি।

**ভূমিকা ঃ** বিজুলী বত্তিৰ পোহৰেৰে মঞ্চস্থ হোৱা প্ৰথম অসমীয়া নাটক 'নীলাম্বৰ'ৰ ৰচয়িতা হ'ল প্ৰসন্নলাল চৌধুৰী। 'নীলাম্বৰ' নাটখনৰ মূল জুমুঠিটো বুৰঞ্জীৰ পৰা সংগ্ৰহ কৰা হৈছে যদিও নাটখন এখন ঐতিহাসিক নাট বুলি ক'ব নোৱাৰি। বৰঞ্চ ইয়াক এখন প্ৰতিশোধমূলক নাট বুলিহে আখ্যা দিব পাৰি। নাটখন কেৱল হত্যা, হিংসা, চক্ৰান্ত আদিৰ কাহিনীৰে ভৰপূৰ। নাটখন তেওঁ ১৯২১ চনত ৰচনা কৰে। কিন্তু ১৯৩৩ চনত ই ছপা ৰূপে প্ৰকাশ হয়। অসম বুৰঞ্জীৰ এটি উল্লেখযোগ্য ঘটনাক আধাৰ হিচাপে লৈ তাত কল্পনাৰ ৰহণ সানি তেওঁ 'নীলাম্বৰ' নাটখনি লিখি উলিয়াইছে। নাটখনত খেন বংশৰ শেষ ৰজা নীলাম্বৰৰ সৈতে গৌড়ৰ নবাব হোচ্চেন শ্বাহৰ সংঘৰ্ষ আৰু কমতাপুৰ ধ্বংসৰ ঐতিহাসিক ঘটনাৰাজি বৰ্ণিত হৈছে। প্ৰসন্নলাল চৌধুৰীয়ে

নাটখন ৰচনা কৰাৰ সময়ত কেৱল এডৱাৰ্ড গেইট চাহাবৰ The History of Assam খন প্ৰকাশ হৈছিল। তাৰ পৰা ধাৰণা হয় যে প্ৰসন্নলাল চৌধুৰীয়ে গেইটৰ বুৰঞ্জীখনৰ পৰা নাটখনৰ মূল জুমুঠিটো লৈ তাত নিজে কল্পনাৰ ৰহণ সানি কাহিনীটোত বিবৃত কৰিছে।

নাটখনত সৰ্বমুঠ পাঁচটা অংক আছে। ইয়াৰে প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম অংকত সাতটাকৈ দৃশ্য আৰু তৃতীয় অংকত ছটা দৃশ্য আছে। সামৰণি দৃশ্য নামেৰে আন এটি দৃশ্য নাটখনৰ একেবাৰে শেষত সংযোজিত হৈছে।

কাহিনী ঃ পাল বংশৰ শেষ ৰজা সুবাহ অপুত্ৰক আছিল। নাটকৰ খলনায়ক নন্দ আছিল পাল বংশৰ শেষ ৰজাৰ উপ-পত্নীৰ সন্তানৰ নাতি। নন্দই খেন বংশ উচ্ছেদ কৰি নিজে কমতাপুৰৰ ৰাজসিংহাসনত বহিবলৈ ষড়যন্ত্ৰ কৰে। কিন্তু প্ৰধানমন্ত্ৰী প্ৰমুখ্যে ব্ৰাহ্মণসকলে তেওঁক জাৰজ সন্তান বুলি অভিহিত কৰে। সকলোৰে কান্তনাথ নামৰ এজন ব্ৰাহ্মণৰ গৰখীয়া ল'ৰাক 'নীলধ্বজ' নাম দি ৰাজপাটত তোলে। আনহাতে উপ-পত্নীৰ সন্তানক অত্যাচাৰ কৰিবলৈ লয়। নন্দই তাৰ প্ৰতিশোধ ল'বলৈ বদ্ধপৰিকৰ হয়।

নীলাম্বৰ নীলধ্বজ ৰজাৰ বংশধৰ। তেওঁৰ অভিষেকৰ দিনাই নন্দই মনে মনে বিদ্ৰোহ কৰিবলৈ যত্নপৰ হয়। কিন্তু নীলাম্বৰে শাসনভাৰ লৈয়ে কঠোৰ হাতেৰে বিদ্ৰোহ দমন কৰে। নন্দই আনকি বন্ধুৰ সহযোগত নবাব হোছেন শ্বাহৰ সহায়ো বিচাৰিছিল, কিন্তু সেই সময়ত শ্বাহে কমতাপুৰৰ ৰজাক জোকাই ল'বলৈ ইচ্ছা কৰা নাছিল।

পিছত নাটকত বৰ্ণিত এটা উপ-কাহিনীৰ জৰিয়তে নন্দই পুনৰ কূট-কৌশল ৰচনা কৰে। ৰজাৰ সেনাপতি তথা সচীপাত্ৰৰ পুত্ৰ মনোহৰ আৰু ৰাজবিষয়া সাধুচৰণৰ জীয়ৰী ললিতা আৰু ৰাণী চন্দ্ৰাৱলীক লৈয়ে এই উপ-কাহিনী। মনোহৰেৰে ৰাণী চন্দ্ৰাৱলীৰ গুপুত প্ৰণয় আছে বুলি নন্দই ৰজা নীলাম্বৰক বিশ্বাস নিয়ায়। এদিন মনোহৰে ৰাণীৰ সৈতে থকা নিজৰ প্ৰেয়সী ললিতাক লগ ধৰিবলৈ গৈ ৰজাৰ সন্মুখত ধৰা পৰে। কিন্তু মনোহৰে যে ললিতাকহে লগ ধৰিবলৈ গৈছিল ৰাণীক নহয়, সেই কথা ৰজাক বুজাবলৈ ললিতাৰ সাহস নহ'ল। কাৰণ ললিতা নীচ কুলত জন্মা। ৰজাক কয় কেনেকৈ? গতিকে ৰজাৰ মনত সন্দেহ সৃষ্টি কৰিবলৈ নন্দ সক্ষম হ'ল। এই

ছেগতে মনোহৰক দণ্ড দিবলৈ ৰজাক নন্দই হেঁচা দিয়ে। শেষত ৰজাই এক ব্যতিক্ৰমী শাস্তি মনোহৰক দিবলৈ এখন উকা ৰাজপত্ৰত স্বাক্ষৰ কৰি দিয়ে। ৰজাৰ সেই উকা ৰাজপত্ৰৰ অপপ্ৰয়োগ কৰি নন্দই মনোহৰক হত্যা কৰে। আৰু এটি ভোজৰ আয়োজন কৰি মনোহৰৰ মঙহ বাপেক শচীপাত্ৰক খুৱায়। ভোজৰ শেষত ৰজাৰ ছীল-মোহৰ থকা আদেশপত্ৰখন মন্ত্ৰী শচীপাত্ৰক দেখুৱায়। সেই সময়তেই ৰজাই ৰাণী চন্দ্ৰাৱলীক বেয়া ব্যৱহাৰ কৰাৰ বাবে ৰাজ কাৰেঙৰ পৰা আঁতৰি থাকে। প্ৰথমতে প্ৰধানমন্ত্ৰী শচীপাত্ৰই পুতেকক হত্যাৰ ঘটনাটো ৰাজ আজ্ঞা বুলি গ্ৰহণ কৰিছিল। কিন্তু পিছত নন্দই শচীপাত্ৰক ৰজাৰ বিৰুদ্ধে গৈ প্ৰতিশোধ ল'বলৈ উচটনি দিয়ে। নন্দই আনকি শচীপাত্ৰক গৌড়ৰ নবাবৰ ওচৰলৈ লৈ যায় আৰু নবাবক কমতাপুৰ আক্ৰমণ কৰিবলৈ সন্মত কৰায়। নবাবে কমতাপুৰ আক্ৰমণ কৰে।

পিছত ৰজাই নন্দৰ সকলো কু-চক্ৰান্তৰ কথা গম পালে। ৰাণী চন্দ্ৰাৱলীক বিনা দোষত খেদি পঠিওৱা আৰু মনোহৰক অন্যায়ভাৱে হত্যা কৰা কথাটো বুজি পায়। যা হওক, গৌড়ৰ নবাব হোছেন শ্বাহ আৰু ৰজা নীলাম্বৰৰ মাজত কেইবামাহো যুদ্ধ লাগে। ৰজা নীলাম্বৰক যুদ্ধত পৰাজিত কৰিব নোৱাৰি নবাব নিজ দেশলৈ ঘূৰি যাব খোজে। কিন্তু তেতিয়া নন্দৰ উচটনিত নবাবে অন্যায় যুদ্ধত নামে। ইপিনে ৰজা নীলাম্বৰক যুদ্ধত ৰক্ষা কৰিবলৈ ছদ্মবেশেৰে আহি ৰাণী চন্দ্ৰাৱলীয়ে মৃত্যুবৰণ কৰিবলগীয়া হয়। নীলাম্বৰে চন্দ্ৰাৱলীৰ প্ৰকৃত পৰিচয় পাই শোকত ভাগি পৰে। ৰজাই মৃত পত্নীৰ কাষত শোক কৰি থাকে। এনেতে নন্দৰ পৰামৰ্শ মতে নবাব হোছেন শ্বাহে পৰাজয় বৰণ কৰা বুলি কৈ শেষবাৰৰ বাবে ৰাণী চন্দ্ৰাৱলীক সেৱা জনাবলৈ আহিব বিচাৰে বুলি ৰজাৰ পৰা অনুমতি বিচাৰে। আচলতে নবাবৰ উদ্দেশ্য বেলেগ। ৰজা নীলাম্বৰে কথাটো গভীৰকৈ নাভাবি অনুমতি প্ৰদান কৰে। সেই সুযোগতেই নবাবৰ সৈন্যই ৰাজপ্ৰাসাদত প্ৰৱেশ কৰি কমতাপুৰ ধ্বংস কৰে। যুদ্ধত ৰজা নীলাম্বৰৰ মৃত্যু হয়। সেই সময়তেই শচীপাত্ৰই সাধুচৰণৰ মুখেদি তেওঁৰ পুত্ৰৰ প্ৰকৃত হত্যাকাৰী যে নন্দহে আছিল, সেই কথা গম পায়। শেষৰফালে নন্দই মনোহৰৰ প্ৰেয়সী ললিতাকো অশালীন ব্যৱহাৰ কৰিবলৈ লওঁতে তাই নন্দক আঘাত কৰে। আহত নন্দই ললিতাক ধৰিবলৈ খেদি যাওঁতে প্ৰধানমন্ত্ৰী শচীপাত্ৰই পিছফালৰ পৰা নন্দক ঘপিয়াই আঘাত কৰে। ধৰফৰাই থকা নন্দই শচীপাত্ৰৰ ওপৰত প্ৰতিশোধ

লোৱাৰ কথা ব্যক্ত কৰে। শেষত দুৰ্গৰ দেৱালখন খহি পৰি দুয়োকে হেঁচি ধৰে। নাটখনৰ সামৰণি দৃশ্যত গৌড়ৰ বেগম ৰেজিয়াই চন্দ্ৰাৱলী আৰু নীলাম্বৰৰ শেষকৃত্য সমাপন কৰে।

**চৰিত্ৰ চিত্ৰণ ঃ** প্ৰসন্নলাল চৌধুৰীৰ 'নীলাম্বৰ' নাটখনত ভালেমান চৰিত্ৰৰ সমাৱেশ ঘটিছে। তাৰ ভিতৰত উল্লেখযোগ্য পুৰুষ চৰিত্ৰবোৰ হ'ল— কমতাপুৰৰ ৰজা নীলাম্বৰ, কমতাপুৰৰ প্ৰধানমন্ত্ৰী শচীপাত্ৰ, কমতাপুৰৰ সেনাপতি মনোহৰ, কমতাপুৰৰ অন্যতম সেনাপতি নন্দ, কমতাপুৰৰ ৰাজ বিষয়া সাধুচৰণ, নন্দৰ সহায়কাৰী চন্দ্ৰকুমাৰ, নন্দৰ অনুচৰ কালীচৰণ, গৌড়ৰ নবাব হোছেন শ্বাহ আৰু গৌড়ৰ সেনাপতি ফৰিদ খাঁ উল্লেখযোগ্য। ইয়াৰ উপৰি বিভিন্ন ৰাজবিষয়া, ৰাজদূত, কটকী, সৈন্যসকল, প্ৰহৰী আদিও আছে। নাটখনৰ উল্লেখযোগ্য নাৰী চৰিত্ৰবোৰ হ'ল— নীলাম্বৰৰ মাক সুনীতি, নীলাম্বৰৰ পত্নী চন্দ্ৰাৱলী, ৰাণী চন্দ্ৰাৱলীৰ সখীয়েক তথা সাধুচৰণৰ জীয়েক ললিতা আৰু গৌড়ৰ বেগম ৰাজিয়া। ইয়াৰ উপৰি নৰ্তকী, ৰাণীৰ আন আন সখী আৰু কুমাৰীসকল আছে।

**নীলাম্বৰ ঃ** নাটখনৰ মূল নায়ক। তেওঁৰ নামেৰেই নাট্যকাৰে নাটখনৰ নামকৰণ কৰিছে। তেওঁ কমতাপুৰৰ ৰজা। কম বয়সীয়া, সুশ্ৰী আৰু সুন্দৰ। তেওঁৰ শৌৰ্য-বীৰ্য বুৰঞ্জীৰ আন ৰজা-মহাৰজাতকৈ কম নহয়। তেওঁ এজন প্ৰজা হিতকৰ, মাতৃভক্ত আৰু দেশহিতৈষী ব্যক্তি। ৰজা নীলাম্বৰক কেন্দ্ৰ কৰিয়েই নাটখনৰ নাটকীয় কাহিনীয়ে গতি লাভ কৰিছে। তেৱেঁই নন্দৰ মন্ত্ৰণাত পৰি ৰাণী চন্দ্ৰাৱলীক ৰাজকাৰেঙৰ পৰা খেদি পঠিয়াইছিল। পিছত গৌড়ৰ নবাবৰ সৈতে হোৱা যুদ্ধত তেওঁৰ মৃত্যু হয়। অৱশ্যে নীলাম্বৰ চৰিত্ৰটিৰ কাৰ্যকলাপৰ অসংলগ্নতা আৰু অন্তৰ্দৃষ্টিৰ অভাৱৰ বাবে সজীৱ চৰিত্ৰ হিচাপে বিকশিত নহ'ল।

**নন্দ ঃ** নাটখনত নন্দৰ চৰিত্ৰটোক খলনায়ক বা শঠ আখ্যা দিব পাৰি। এই চৰিত্ৰটো কোনো ঐতিহাসিক চৰিত্ৰ নহয়। নাট্যকাৰৰ এইটো কল্পনাৰ চৰিত্ৰ। নাটকীয় ঘটনাৰ কৰুণ পৰিণতিৰ বাবে নন্দই জগৰীয়া। মনোহৰক মিছা অপবাদ দিয়া, ৰাণী চন্দ্ৰাৱলীৰ প্ৰতি ৰজাৰ অবিশ্বাসৰ ভাব জন্মোৱা, শচীপাত্ৰৰ পুতেকক হত্যা কৰি পুত্ৰৰ মাংসৰে পিতৃ শচীপাত্ৰক ভোজ খুওৱা, ৰজাৰ বিৰুদ্ধে শচীপাত্ৰক বিদ্ৰোহী কৰি তোলা, গৌড়ৰ নবাব হোছেন শ্বাহক কমতাপুৰ ধ্বংস

কৰিবলৈ আমন্ত্ৰণ জনোৱা আদি সকলো কাৰ্য নন্দই সম্পাদনা কৰিছে। নাটখনত নাট্যকাৰে নন্দৰ চৰিত্ৰটোক হিংসুক চৰিত্ৰ হিচাপে তুলি ধৰিছে। চৰিত্ৰটোৰ অন্তৰ্দ্বন্দ্বৰ ছবি নাটখনত পৰিলক্ষিত হোৱা নাই। নন্দৰ হিংসুকতাৰ বাবেই নাটখনৰ পাঠক-দৰ্শকৰ মনত নন্দ এটা ঘৃণনীয় চৰিত্ৰ হৈ পৰিছে। নন্দ আনকি চাৰিত্ৰিকভাৱেই নিৰ্মল নহয়। তেওঁ এদিন ললিতাকো অশালীন ব্যৱহাৰ কৰিব বিচাৰিছিল। তেওঁ শেষত যেনিবা ললিতা আৰু শচীপাত্ৰৰ হাতত আহত হৈ নিজৰ প্ৰতিহিংসাৰ জুইতে নন্দই জাহ যাবলগীয়া হ'ল।

**শচীপাত্ৰ** ঃ কমতাপুৰৰ প্ৰধানমন্ত্ৰী। বয়সত বৃদ্ধ আৰু জাতিত ব্ৰাহ্মণ। এটি পাৰ্শ্ব চৰিত্ৰ হিচাপে শচীপাত্ৰ নাটখনৰ এটি উল্লেখযোগ্য চৰিত্ৰ। নাটখনৰ প্ৰথম অংকৰ পৰা পঞ্চম অংকৰ শেষলৈকে এই চৰিত্ৰটো বিদ্যমান। তেওঁ এজন দেশহিতৈষী, প্ৰজাহিতৈষী ৰজাৰ ভক্ত আৰু ৰজাৰ পৰামৰ্শদাতা আছিল। শচীপাত্ৰই কমতাপুৰখনক নিজৰ কন্যাৰ দৰে মৰম কৰে। কিন্তু এদিন সেই শচীপাত্ৰই নন্দৰ উচটনিত কমতাপুৰক শত্ৰুৰ হাতত এৰি দিছে। শত্ৰুৰ হাতত কমতাপুৰ এৰি দি বৃদ্ধ মন্ত্ৰীয়ে কাতৰ হৈ পৰিছে। তেওঁ কৈছে ঃ কমতাপুৰেই মোৰ ছোৱালী, আজি মই নিঃপুত্ৰী হৈ কেনেকৈ সেই কন্যাক শত্ৰুৰ মুখত পেলাই দিম?' শচীপাত্ৰৰ এই মানসিক দ্বন্দ্বই চৰিত্ৰটোক মহীয়ান কৰি তুলিছে।

ইফালে এইজন শচীপাত্ৰই নন্দৰ প্ৰতিহিংসাৰ বলি হৈ নিজৰ পুত্ৰক হেৰুৱাবলগীয়া হৈছে। নিজৰ পুত্ৰৰ মাংস ভক্ষণ কৰিবলগীয়া হৈছে। শেষত কিন্তু শচীপাত্ৰই নন্দক হত্যা কৰি নিজৰ প্ৰতিহিংসা পূৰণ কৰে।

**নাৰী চৰিত্ৰ** ঃ নাটখনত প্ৰধান নাৰী চৰিত্ৰ চাৰিটা। সেইকেইটা হ'ল সুনীতি, ৰাণী চন্দ্ৰাৱলী, ললিতা আৰু ৰাজিয়া। সুনীতি ৰজা নীলাম্বৰৰ মাতৃ। কেৱল অলপ সময়ৰ বাবে নাটখনত ভুমুকি মৰা এই চৰিত্ৰটো নাট্যকাৰে মাতৃত্বৰ চিৰন্তন আবেদনেৰে নাট্যকাৰে তুলি ধৰিছে। নাটখনৰ নায়িকা চন্দ্ৰাৱলী এগৰাকী পতিব্ৰতা নাৰী। সৰল মনৰ এগৰাকী নাৰীক কিহৰ বাবে ৰজা নীলাম্বৰে বেয়া পালে ধৰিবই নোৱাৰিলে।

তথাপি কিন্তু স্বামীৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা কমা নাছিল। আনকি যুদ্ধৰ সময়ত তেওঁ স্বামীক সংগ দিছে। কিন্তু যুদ্ধত তেওঁৰ মৃত্যু হয়। নাটখনৰ উপ-কাহিনীৰ নায়িকা ললিতা কমতাপুৰৰ ৰাজবিষয়া সাধুচৰণৰ জীয়ৰী।

তেওঁ মনোহৰক ভাল পাইছিল। সুন্দৰী, প্ৰেমিকা ললিতাৰ সপোনতো নন্দৰ প্ৰতিহিংসাই অগনি জ্বলাই তোলে। নাট্যকাৰে ৰাজিয়াৰ চৰিত্ৰটোক শান্তিকামী, মানৱতাবাদী নাৰী হিচাপে তুলি ধৰিছে। অন্যায় যুদ্ধৰে এবাৰ নীলাম্বৰক হত্যা কৰিবলৈ আহোতে ৰাজিয়াই নীলাম্বৰক বচাইছে। তেওঁ গিৰীয়েকক অন্যায় যুদ্ধত লিপ্ত নহ'বলৈ কৈছে। চন্দ্ৰাৱলী-নীলাম্বৰৰ সৎকাৰ্যত তেওঁ সহযোগিতা কৰিছে।

**প্ৰতিশোধমূলক নাট ঃ** প্ৰসন্নলাল চৌধুৰীয়ে 'নীলাম্বৰ' নাটখনক একাংশ আলোচকে ঐতিহাসিক নাটকৰ শাৰীত থৈছে যদিও একাংশই আকৌ ইয়াক প্ৰতিশোধমূলক নাট হিচাপে চিহ্নিত কৰিব খোজে। উল্লেখযোগ্য যে প্ৰতিশোধমূলক নাটকৰ ধাৰণাটিয়ে ষোল্ল শতিকাৰ শেষভাগত ইংলেণ্ডত জনপ্ৰিয়তা লাভ কৰিছিল। প্ৰতিশোধমূলক নাটকৰ প্ৰধানতঃ প্ৰতিশোধেই প্ৰাধান্য পায়। এনে নাটকত হিংসা, প্ৰতিহিংসা, চক্ৰান্ত, গুপ্তহত্যা, কুঅভিসন্ধি আদিৰ লগতে শাৰীৰিক অত্যাচাৰ, ধ্বংসাত্মক ঘটনাই বিৰাজ কৰে। সেই দৃষ্টিকোণৰ পৰা নীলাম্বৰ নাটখনত প্ৰতিশোধমূলক নাটকৰ কিছুমান বৈশিষ্ট্য ধৰা পৰে। যেনে ঃ নীলাম্বৰ নাটখনত নন্দৰ প্ৰতিশোধে বিশেষ স্থান অধিকাৰ কৰি আছে। নাটখনত প্ৰতিটো মুহূৰ্ততেই নন্দৰ প্ৰতিশোধ স্পৃহাৰ ছবি অনুভৱ হয়। আনহাতে প্ৰতিশোধমূলক নাটকত যিয়ে প্ৰতিশোধৰ জুই জ্বলায় তেওঁ সেই জুইতেই জাহ যাব লগা অৱস্থা হয়। ইয়াতো অৱশেষত নন্দই নিজৰ প্ৰতিশোধৰ জুইত নিজে জাহ যায়। মনোহৰক কৰা হত্যা, ললিতাৰ ওপৰত চলোৱা অত্যাচাৰ, ৰজাৰ বিৰুদ্ধে শচীপাত্ৰক উচটনি দিয়া আদি কাৰ্যৰ মাজত প্ৰতিশোধমূলক নাটৰ বৈশিষ্ট্যও লুকাই আছে।

**সংলাপ ঃ** নাটখনত প্ৰসন্নলাল চৌধুৰীয়ে সংলাপ প্ৰয়োগৰ ক্ষেত্ৰত অধিক সচেতন হোৱা যেন লাগে। তেওঁ নাটখনত প্ৰয়োজন মতে কাব্যময়ী ভাষা আৰু কেতিয়াও তেজস্বী ভাষা প্ৰয়োগ কৰিছে। চৰিত্ৰৰ মানসিক স্থিতি আৰু পৰিৱেশ হিচাপে যথোচিত সংলাপ চৰিত্ৰৰ মুখত দিছে। নাটখনত উদ্ভৱ হোৱা উৎকণ্ঠা, বিস্ময় আদিক সাৰ্থকৰূপত তুলি ধৰিবলৈ তেওঁ সংলাপ দিছে। পাঠান সৈন্যৰ মাজত হোৱা কথোপকথনত তেওঁ দুই-এটা পাৰ্চি শব্দ দিছে। প্ৰয়োজনসাপেক্ষে কিছুমান সংলাপ চুটি চুটিকৈ দিয়ে। অৱশ্যে কিছুমান ক্ষেত্ৰত সংলাপ দীঘলীয়া হোৱাত নাটখনৰ গতি কিছু ব্যাহত হৈছে। ■